**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2025 **Time :** 1205 Hrs

***Assamese Midday Bulletin***

হস্ততাঁত আৰু বস্ত্ৰশিল্প সঞ্চালকালয়ৰ উদ্যোগত আজি গুৱাহাটীৰ খানাপাৰাৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত একাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰা হৈছে। হস্ততাঁত, বস্ত্ৰশিল্প আৰু ৰেচম বিভাগৰ মন্ত্ৰী উৰ্খাও গৌড়া ব্ৰহ্মই ৰাজ্যবাসীক ৰাষ্ট্ৰীয় হস্ততাঁত দিৱসৰ শুভেচ্ছা জ্ঞাপন কৰিছে।

হস্ততাঁত খণ্ডত উল্লেখযোগ্য অৱদান আগবঢ়োৱা শিপিনীসকলক আজি সন্ত কবিৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা প্ৰদান কৰা হ'ব। সন্ত কবিৰ বঁটাত ৩ লাখ ৫০ হাজাৰ টকা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটাত ২ লাখ টকা প্ৰদান কৰা হ'ব। নতুন দিল্লীত অনুষ্ঠিত হ'বলগীয়া একাদশ সংখ্যক হস্ততাঁত দিৱসৰ কাৰ্যসূচীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে এই বঁটাসমূহ প্ৰদান কৰিব। দেশৰ প্ৰায় ৬৫০ গৰাকী শিপিনী, বিদেশী ক্ৰেতা, বিশিষ্ট ব্যক্তি আৰু জ্যেষ্ঠ চৰকাৰী বিষয়াসকলে এই সমাৰোহত অংশগ্ৰহণ কৰিব। বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং, বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটা আৰু বস্ত্ৰ মন্ত্ৰ্যালয়ৰ সচিব নীলম স্বামী ৰাও এই অনুষ্ঠানত উপস্থিত থাকিব।

উল্লেখযোগ্য যে ১৯০৫ চনৰ ৭ আগষ্টত আৰম্ভ হোৱা স্বদেশী আন্দোলনে থলুৱা উদ্যোগ আৰু বিশেষকৈ তাঁতশিল্পক উৎসাহিত কৰিছিল। দেশৰ আৰ্থসামাজিক উন্নয়নত হস্ততাঁত বয়ন শিল্পৰ অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি ২০১৫ চনৰ পৰা ৭ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস হিচাপে পালন কৰি অহা হৈছে। দেশৰ বৈচিত্ৰময় সাংস্কৃতিক ঐতিহ্যৰ প্ৰতীক বয়ন শিল্পই গ্ৰামাঞ্চলৰ বহু লোকক আৰ্থিকভাৱে সবল কৰি তোলাত প্ৰত্যক্ষভাৱে সহায় কৰি আহিছে।

oooooo

গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগ কাইলৈ পুৱাৰে পৰা মেৰাপানী সীমান্তৰ ২ নম্বৰ নেঘেৰীবিলত উচ্ছেদ চলাব। আৰক্ষী, বন বিভাগৰ লোকে কালি অঞ্চলটোৰ পৰিস্থিতি নিৰীক্ষণ কৰে। কালি প্ৰশাসনৰ তৰফৰ পৰা ২ নম্বৰ নেঘেৰীবিল অঞ্চল খালী কৰাৰ বাবে অন্তিমবাৰৰ বাবে অবৈধ দখলকাৰীসকলক মাইকযোগে জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে, নেঘেৰীবিলত উচ্ছেদ হবলগীয়া ২০৫টা পৰিয়ালৰ ভিতৰত ৭৪টা পৰিয়ালৰ লেখ আবেদনৰ শুনানি গ্ৰহণ কৰি মঙলবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ে দৈয়াং বনাঞ্চলৰ নেঘেৰীবিলৰ ৫৯টা আৰু নামবৰ বনাঞ্চলত ১৫টা পৰিয়াললৈ সাময়িকভাৱে সকাহ দিয়ে আৰু পৰিয়ালকেইটাৰ বাবে উচ্ছেদৰ সময়সীমা ১৪ আগষ্টলৈ বৃদ্ধি কৰে। ইপিনে, উত্তৰ-পূব ছাত্ৰ সংগঠন অৰ্থাৎ নেছৰে অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্যৰ পৰা অবৈধ বাংলাদেশী নাগৰিকক বহিষ্কাৰৰ দাবী জনোৱাৰ লগতে ৰাজ্য চৰকাৰৰ উচ্ছেদ অভিযানলৈ সমৰ্থন আগবঢ়াইছে। কালি গুৱাহাটীত অনুষ্ঠিত সংগঠনটোৰ কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনত জনসংখ্যা বৃদ্ধিৰ কাৰণ বিচাৰি উলিয়াবলৈ নেছৰে আটাইকেইখন ৰাজ্যৰ চৰকাৰৰ বিশেষ পৰ্যালোচনা সমিতি গঠন কৰিবলৈ দাবী জনাব। বৈঠকৰ পাছত হোৱা সংবাদমেলত নেছৰ উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্যই অসমৰ লগতে উত্তৰ-পূবৰ অন্যান্য ৰাজ্যত বনভূমিত উচ্ছেদ হ'ব লাগে বুলি উল্লেখ কৰি থলুৱা লোকসকলৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ আহ্বান জনায়।

00000

ভাৰতীয় প্ৰচাৰণ সেৱাৰ ৯০ বছৰ : আকাশবাণী গুৱাহাটীৰ উদ্যোগত কাইলৈ অসম ৰাজ্যিক সংগ্ৰাহলয়ৰ কনকলাল বৰুৱা প্ৰেক্ষাগৃহত আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল পৰিক্ৰমাক উদযাপন কৰাৰ উদ্দেশ্যে যুৱবাণী শাখাৰ দ্বাৰা বিশেষ কাৰ্য্যসূচীৰ আয়োজন কৰা হৈছে। কাইলৈ পুৱা চাৰে ন বজাৰ পৰা "আকাশবাণীৰ ৯০ বছৰ" শীৰ্ষক কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই প্ৰতিযোগিতাত প্ৰচাৰণ সেৱাৰ গৌৰৱোজ্জ্বল ৯০ বছৰীয়া পৰিক্ৰমা আৰু অসম তথা আমাৰ দেশৰ বিভিন্ন ঠাইত থকা আকাশবাণী কেন্দ্ৰসমূহৰ সৈতে জড়িত প্ৰশ্নাৱলী থাকিব। বিশিষ্ট কুইজ পৰিচালক দীপাংকৰ কৌশিক আৰু দিলীপ কুমাৰ শৰ্মাই এই প্ৰতিযোগিতা পৰিচালনা কৰিব। প্ৰতিটো দলত দুজনকৈ সদস্য থাকিব লাগিব। দলৰ সদস্য সকল একেখন শৈক্ষিক প্ৰতিষ্ঠান অথবা ভিন্ন শৈক্ষিক প্ৰতিষ্ঠানৰো হ'ব পাৰে। আনহাতে, কাইলৈ দুপৰীয়া ১ বজাৰ পৰা আকাশবাণীৰ ৯০ বছৰীয়া পৰিক্ৰমা, ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু ঐতিহাসিক পৰম্পৰা,ঘটনা-পৰিঘটনাক সামৰি আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। মাধ্যম - অসমীয়া। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰা স্নাতকোত্তৰ পৰ্যায়লৈ শিক্ষাৰ্থীসকলে কুইজ আৰু আকস্মিক বক্তৃতা প্ৰতিযোগিতাত ভাগ ল'ব পাৰিব। বিজয়ীসকলক আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰাৰ লগতে আকাশবাণীৰ যুৱবাণী অনুষ্ঠানত ভাগ ল'বলৈ আমন্ত্ৰণ জনোৱা হ'ব। কাইলৈ বিয়লি ৪ বজাত, শেহতীয়াকৈ অনুষ্ঠিত আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সংগীতৰ অডিচনত উত্তীৰ্ণ হোৱা সকলকো প্ৰমাণ পত্ৰ প্ৰদান কৰা হ'ব। পঞ্জীয়ন তথা সবিশেষ জানিবলৈ আকাশবাণী গুৱাহাটীৰ ফেচবুক পেজ AIR Guwahati চাব পাৰে, অথবা আকাশবাণী গুৱাহাটীৰ যুৱবাণী শাখাৰ সৈতে যোগাযোগ কৰিব পাৰে। কাইলৈ সন্ধ্যা চাৰে পাঁচ বজাৰ পৰা নতুন প্ৰজন্মৰ ৰেডিঅ' অনুৰাগী যুৱক-যুৱতী সকলে দেশপ্ৰেমমূলক গীত, কবিতা, নৃত্যৰ এটি অনুষ্ঠান পৰিৱেশন কৰিব বুলি আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান সমূহৰ মুৰব্বী তথা সহকাৰী সঞ্চালক কৰ্ডেলিন থ্যানখ্যিউৱে জানিবলৈ দিছে।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেশৰ ৭৯ সংখ্যক স্বাধীনতা দিৱস উপলক্ষে কেইবাটাও বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। এনে অনুষ্ঠানসূচীৰ অংশ হিচাপে অহা ৯ আগষ্টৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত স্বাধীনতা সংগ্ৰামত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ভূমিকা শীৰ্ষক এটা বিশেষ আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত কেন্দ্ৰীয় চৰকাৰৰ প্ৰকাশন বিভাগে প্ৰকাশ কৰা বহু সমাদৃত ইংৰাজী গ্ৰন্থ – Untold Stories of the Freedom struggle from North East India ৰ ৰচক তথা বিশিষ্ট সাংবাদিক, নাগালেণ্ড বিশ্ববিদ্যালয়ৰ আচাৰ্য্য ড° সমুদ্ৰ গুপ্ত কাশ্যপ আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ জ্যেষ্ঠ বাতৰি পৰিবেশিকা অৰুণিমা গোস্বামীয়ে অংশগ্ৰহণ কৰিব। আকাশবাণী গুৱাহাটীৰ মহাবাহু চেনেলযোগে প্ৰচাৰিত হ'বলগীয়া এই অনুষ্ঠানত আগ্ৰহী শ্ৰোতাই ফোনযোগে অংশগ্ৰহণ কৰিব পাৰিব। ফোন নম্বৰ দুটা হৈছে- 0361-2661876, 2662325।

০০০০০০০০

সমাপ্ত